# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-Aug-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। জি এম চি এইচৰ আই চি ইউত নৱজাতকৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অতিৰিক্ত মুখ্য সচিবৰ নেতৃত্বত তিনিজনীয়া উচ্চ পৰ্যায়ৰ সমিতি গঠন।

২। ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলসমূহত ফেন্সিং, তালাচী চকীৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা।

৩। উৰিয়ামঘাটৰ দখলীকৃত বনাঞ্চল সাদিনৰ ভিতৰত খালী কৰিবলৈ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনি ৰূপায়ণৰ বাবে অসমলৈ পাঁচ হাজাৰ ৪৭০ কোটি ৫১ লাখ টকা আৱণ্টনত কেন্দ্ৰৰ অনুমোদন। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন চেমিফাইনেলত শ্বিলঙত আজি নৰ্থ-ইষ্ট ইউনাইটেড এফ চি-লাজং এফ চিৰ মুখামুখি।

০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ বাবে থকা আই চি ইউত কালি এটি নৱজাতকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত  তদন্তৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তিনিজনীয়া সমিতি গঠন কৰি দিছে। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ছুইটি চাংচন, চিকিৎসা শিক্ষা বিভাগৰ সঞ্চালক আৰু এইমছৰ বিশেষজ্ঞ চিকিৎসকক লৈ এই সমিতিখন গঠন কৰা হৈছে। সমিতিয়ে অহা ৩-৪ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। এই ঘটনাৰ সময়ত দায়িত্বত থকা নাৰ্ছগৰাকীক ৰাজ্য চৰকাৰে ইতিমধ্যে নিলম্বনৰ নিৰ্দেশ দিছে আৰু চিচিটিভি ফুটেজ চাই নিৰপেক্ষভাৱে ঘটনাৰ তদন্ত কৰা হ'ব। কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ নৱজাতকৰ বিশেষ যতন কক্ষ পৰিদৰ্শন কৰি এই বিষয়ে প্ৰকাশ কৰে। ঘটনাটো অত্যন্ত পীড়াদায়ক বুলিও মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

**বাইট (চি এম)**

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি হাস্পতালখনৰ নৱজাতকৰ আই চি ইউৰ বিছনাৰ পৰা পৰি এটি শিশুৰ মৃত্যু হোৱাৰ লগতে আন এটি গুৰুতৰভাৱে আহত হৈছিল। জানিব পৰা মতে এটি নৱজাতক বিছনাৰ পৰা পৰি যোৱাৰ লগতে আন এটি ফটো থেৰাপি মেচিনত ওলমি ৰয়। এগৰাকী মহিলাই এই ঘটনা প্ৰত্যক্ষ কৰি দায়িত্বত থকা চিকিৎসক আৰু নাৰ্ছক খবৰ দিয়াত দুয়োটা নৱজাতককে উদ্ধাৰ কৰা হয় যদিও এটি শিশুৰ মৃত্যু হয়। মৃত শিশুটিৰ পৰিয়ালে ভঙাগড় থানাত এজাহাৰ দাখিল কৰে। এই ঘটনাৰ খবৰ পোৱাৰ পাছতে মুখ্যমন্ত্ৰীয়ে তদন্তৰ বাবে গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তকো নিৰ্দেশ দিয়ে। তেওঁ লগতে হাস্পতাল কৰ্তৃপক্ষক ততালিকে চিচিটিভি ফুটেজ পৰীক্ষা কৰিবলৈ আৰু এখন তদন্ত কমিটি গঠন কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। এই ঘটনাত দোষী সাব্যস্ত লোকক কঠোৰ শাস্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। ইপিনে এই ঘটনাৰ পাছতে ভঙাগড় আৰক্ষীয়ে হাস্পতালখনত একাংশ উৎকোচ গ্ৰহণ কৰ্মচাৰীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে।

০০০০০০

ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলসমূহত হোৱা অবৈধ দখল সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। সংৰক্ষিত বনাঞ্চলত হোৱা উচ্ছেদক প্ৰত্যাহ্বান জনাই তৰা কেইবাটাও গোচৰৰ শুনানি গ্ৰহণ কৰি কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে বিষয়টো সন্দৰ্ভত গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলসমূহত যাতে কোনো ধৰণৰ অবৈধ দখল হব নোৱাৰে তাৰ বাবে সঠিক ব্যৱস্থাপনা গ্ৰহণ কৰিবলৈ ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিছে। সংৰক্ষিত বনাঞ্চলসমূহৰ দখল ৰোধ কৰাৰ বাবে ফেন্সিং দিয়াৰ ব্যৱস্থা কৰিবলৈও ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিছে। তদুপৰি সংৰক্ষিত বনাঞ্চলসমূহৰ প্ৰৱেশদ্বাৰত তালাচী চকী স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগিব বুলিও বিচাৰপীঠে স্পষ্ট কৰি দিছে। এই তালাচী চকীসমূহৰ দায়িত্বত থকা বিষয়া আৰু কৰ্মচাৰীসকলে সক্ৰিয়ভাৱে কৰ্মসম্পাদন কৰিব লাগিব বুলি ন্যায়ালয়ে নিৰ্দেশনাত উল্লেখ কৰিছে। যদি সংৰক্ষিত বনাঞ্চলসমূহত কোনো লোকে বন বিষয়া বা কৰ্মচাৰীৰ অৱহেলাৰ বাবে বে-আইনীভাৱে প্ৰৱেশ কৰি অকৰ্তৃত্বশীল কাৰ্যকলাপত লিপ্ত হোৱাৰ সুযোগ লাভ কৰে তেন্তে দায়িত্বত থকা বিষয়াৰ বিৰুদ্ধে বন বিভাগে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব বুলিও ন্যায়ালয়ে উল্লেখ কৰিছে। আনহাতে অবৈধ দখল ৰোধ কৰাৰ বাবে চৰকাৰক নিৰ্দিষ্ট সময়ৰ অন্তত পৰ্যালোচনা আৰু পৰিদৰ্শনৰ ব্যৱস্থা কৰিবলৈও কোৱা হৈছে। বনাঞ্চলত অবৈধ দখল হলে এনে দখল উচ্ছেদৰ পূৰ্বে পালন কৰিবলগীয়া নীতি সন্দৰ্ভতো ন্যায়ালয়ে চৰকাৰক নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কি পৰিস্থিতিত বনাঞ্চলৰ ভূমি দখল কৰিবলগীয়া হ'ল সেই বিষয়ে উত্তৰ দিবলৈ সংশ্লিষ্ট পক্ষক প্ৰশাসনে ১৫ দিনৰ সময় দি জাননী দিব লাগিব। তদুপৰি সংৰক্ষিত বনাঞ্চলৰ ভূমিত উচ্ছেদ চলোৱাৰ পূৰ্বে অবৈধ দখলকাৰীক ১৫ দিনৰ সময় দিব লাগিব বুলিও ন্যায়ালয়ে স্পষ্ট কৰি দিছে।

উল্লেখযোগ্য যে শেহতীয়াকৈ ৰাজ্য চৰকাৰে দৈয়াং-নামবৰ সংৰক্ষিত বনাঞ্চলত চলোৱা উচ্ছেদৰ বিৰোধিতা কৰি একাংশ লোক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। ভুক্তভোগী লোকসকলৰ আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে কালি এই গুৰুত্বপূৰ্ণ ৰায়দান কৰাৰ লগতে অবৈধ দখলকাৰীসকলক সাদিনৰ ভিতৰত বনাঞ্চলৰ ঘৰসমূহ খালী কৰিবলৈ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলসমূহত হোৱা অবৈধ দখল সন্দৰ্ভত কৰা ৰায়দানৰ বিষয়ে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই এইদৰে কয়—

(বাইট)

০০০০০০

উৰিয়ামঘাটৰ উচ্ছেদৰ সম্পৰ্কত কালি গুৱাহাটী উচ্চ ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি বনভূমি দখল কৰি থকা লোকসকলক সাদিনৰ ভিতৰত সেই স্থান খালী কৰিবলৈ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰী খণ্ড বিচাৰপীঠে দিয়া ৰায় অনুসৰি উৰিয়ামঘাটৰ বনভূমি দখল কৰি থকা লোকসকলে যিকোনো পৰিস্থিতিতে সেই স্থান ত্যাগ কৰিব লাগিব। উৰিয়ামঘাটৰ ৰাণা নগৰ, হাতীডুবি, হালধিবাৰী, দুৰ্গাপুৰ আৰু ১ নম্বৰ মধুপুৰ গাঁৱত কালি প্ৰশাসনে দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান আৰম্ভ কৰিছিল। এই গাঁও কেইখনৰ ৫৭ টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাত ন্যায়ালয়ে কালি পৰ্যন্ত তেওঁলোকক সাময়িকভাৱে সকাহ দিছিল। কালি উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে একেটা শুনানিতে ৰাজ্যৰ সংৰক্ষিত বনাঞ্চল আৰু বনভূমিসমূহত হোৱা অবৈধ দখল সন্দৰ্ভতো কঠোৰ নিৰ্দেশনা দিছে।

ইপিনে অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত জিলা প্ৰশাসন আৰু বন বিভাগে কালি পাঁচখন গাঁৱত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান আৰম্ভ কৰে যদিও নগালেণ্ডৰ একাংশ লোকে বাধা প্ৰদান কৰাৰ বাবে এই অভিযান বিঘ্নিত হয়। এই অভিযান আৰম্ভ কৰাৰ পাছতে প্ৰতিবেশী ৰাজ্যখনৰ একাংশ লোকে বাধা দিয়াক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ড প্ৰশাসনৰ সৈতে হোৱা আলোচনা মৰ্মে সাময়িকভাৱে এই অভিযান বন্ধ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত দুয়োখন ৰাজ্যৰ সীমামূৰীয়া জিলাৰ আয়ুক্তৰ মাজত আলোচনা অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

০০০০০০

বিশ্বনাথত চলি থকা উচ্ছেদ অভিযানৰ কালি দ্বিতীয় দিনা মুঠ ১৭৫ বিঘা ভূমি দখলমুক্ত কৰা হয়। কালি পুৱা অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলি সেই স্থানত সাধাৰণ লোকক প্ৰৱেশ নিষিদ্ধ কৰে। ইয়াৰ পাছতে ১০ খন এছকেভেটৰৰ জৰিয়তে প্ৰশাসনে উচ্ছেদ আৰম্ভ কৰে। দ্বিতীয়দিনা বিশ্বনাথৰ ননকে জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমি দখলমুক্ত কৰা হৈছে বুলি প্ৰশাসনে প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনি ৰূপায়ণৰ বাবে অসমলৈ পাঁচ হাজাৰ ৪৭০ কোটি ৫১ লাখ টকা আৱণ্টন অনুমোদন জনাইছে। চৰকাৰে যোৱা জুনত দেশৰ ১৮ খন ৰাজ্যলৈ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত মুঠ ৪৭ হাজাৰ ৪৭৪ কোটি ৫৮ লাখ টকাৰ আৱণ্টন দিছে। এই আঁচনিখনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে পুঁজি আৱণ্টন দিয়া ১৮ খন ৰাজ্যৰ তালিকাত উত্তৰ-পূৰ্বাঞ্চলৰ অসম আৰু মণিপুৰৰ নামো আছে। মণিপুৰে এই আঁচনিৰ অধীনত ৪৬ কোটি ১৮ লাখ টকাৰ আৱণ্টন লাভ কৰিছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত অসমৰ গ্ৰামাঞ্চলত মুঠ ২৯ লাখ ৮৭ হাজাৰ ৮৬৮ টা আৱাস নিৰ্মাণ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হৈছে। ইয়াৰ ভিতৰত চলিত বৰ্ষৰ জুলাইলৈ অনুমোদন দিয়া ২৮ লাখ ৭১ হাজাৰ ৫১ টা আৱাসৰ ২০ লাখ ৬৯ হাজাৰ ৬৪৮ আবাসৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে।

০০০০০০

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি **জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। লখিমপুৰৰ ৰংগভূমি নাট্য গোষ্ঠীয়ে পৰিৱেশন কৰিবলগীয়া এই নাটখনৰ নাট্যকাৰ প্ৰশান্ত কটকী। কৃষ্ণ ভূঞাই পৰিচালনা কৰিবলগীয়া নাটখনৰ সন্ধিয়া ৫ বজা আৰু চাৰে ৭ বজাত দুটা দৰ্শনী মঞ্চস্থ হ'ব।

কালি এই নাট মেলাত **ব্ৰজনাথ-বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হয়। ছিপাঝাৰৰ চৰ্চা নাট্য গোষ্ঠীয়ে এই পৰিৱেশন কৰা নাটখনৰ নাট্যকাৰ আছিল উৎপল দত্ত। উল্লেখযোগ্য যে যোৱা ১৫ আগষ্টৰ পৰা অনুষ্ঠিত এই নাটমেলা অহা ২১ আগষ্টত সামৰণি পৰিব।

০০০০০০

সেনাবাহিনীয়ে আয়োজন কৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চি লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত খেলখন অনুষ্ঠিত হ'ব। এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত এয়া তৃতীয়বাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ছেমি ফাইনেলতো দুয়োটা দল পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল আৰু নৰ্থ ইষ্ট ইউনাইটেডে মেঘালয়ৰ দলটোক ৩-০ত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছিল।

০০০০০০

গুৱাহাটীৰ অসম-মেঘালয় সীমান্তৱৰ্তী পিলিংকাটাত মেঘালয়ৰ বাসিন্দাই বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক আক্ৰমণ কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই একেটা বাতৰিক অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

দেশত স্বচ্ছ, নিকা আৰু নিৰপেক্ষভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাত নিৰ্বাচন আয়োগ ব্যৰ্থ হোৱা বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে মন্তব্য কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে ৰাজ্যৰ বনাঞ্চলত উচ্ছেদ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় বিষয়ক বাতৰি প্ৰকাশ কৰিছে। ন্যায়ালয়ৰ এই ৰায়মতে চৰকাৰে প্ৰতিখন সংৰক্ষিত বনাঞ্চলত কাঁইটীয়া বেৰ চেকগে'ট স্থাপন কৰিব লাগিব। এই বাতৰিটো দা ছেণ্টিনেল কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

গুৱাহাটীৰ ভৰলুমুখৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অধ্যক্ষৰ বিৰুদ্ধে মহাবিদ্যালয়খনৰেই একাংশ ছাত্ৰ-ছাত্ৰীয়ে কৰা প্ৰতিবাদৰ এটা বাতৰি আমাৰ অসম কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ আই চি ইউৰ বিছনাৰ পৰা পৰি শিশুৰ মৃত্যু হোৱা ঘটনাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতৰ লগতে অন্যান্য বাতৰি কাকতেও প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱজাতকৰ মৃত্যুক লৈ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই তদন্ত সমিতি গঠনৰ নিৰ্দেশ দিয়াৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিৰ্বাচন আয়োগে সমগ্ৰ দেশজুৰি ভোটাৰ তালিকাৰ বিশেষ নিৰীক্ষণৰ পৰিকল্পনা কৰিছে। অৱশ্যে অসমত অহা বছৰৰ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ বিশেষ নিৰীক্ষণ সম্পন্ন কৰা সন্দৰ্ভত এতিয়াও কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ।

নিয়মীয়া বাৰ্তা কাকতত কামৰূপ জিলাৰ বকোত ৰে'ল ষ্টেচনৰ সমীপত প্ৰাতঃ ভ্ৰমণৰত তিনিগৰাকী মহিলাৰ ৰে'লৰ খুন্দাত হোৱা মৃত্যু সন্দৰ্ভত সংঘটিত বাতৰি প্ৰকাশ পাইছে। এই শোকাৱহ বাতৰিটো আন আন কাকতেও প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ৰ সভাপতিত্বত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা পৰ্যায়ৰ বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ লগতে খাদ্য আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা, সুলভ মূল্যৰ দোকান পৰিচালনা, গুদাম ব্যৱস্থাপনাকে ধৰি কেইবাটাও বিষয় বিস্তৃতভাৱে আলোচনা কৰা হয়। এই বৈঠকত অতিৰিক্ত মুখ্য সচিব, জিলা আয়ুক্ত আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

oooooo

সমাপ্ত